# REGIONAL NEWS UNIT
AKASHVANI, GUWAHATI
0000000000

**Date :** 25-04-2026
**Time :** 21-25 Hrs

## ASSAMESE NIGHT BULLETIN

::::::::::::::::::::::::::::::::::::::::::::::::::::::::::::::::::::::::::::::

কেন্দ্ৰীয় চৰকাৰে অৰ্থনীতিবিদ অশোক কুমাৰ লাহিড়ীক উপাধ্যক্ষ হিচাপে লৈ নীতি আয়োগ পুনৰ গঠন কৰিছে। তেওঁ বৰ্তমানৰ উপাধ্যক্ষ সুমন কে বেৰিৰ স্থলাভিষিক্ত হৈছে। নতুন দিল্লীত আজি নীতি আয়োগৰ নৱ নিযুক্ত উপাধ্যক্ষগৰাকীয়ে প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীক সাক্ষাৎ কৰে। সামাজিক মাধ্যমৰ এটা বাৰ্তাযোগে প্ৰধানমন্ত্ৰীয়ে কয় যে ভাৰতৰ নীতি নিৰ্ধাৰণৰ ক্ষেত্ৰত নীতি আয়োগে গুৰুত্বপূৰ্ণ ভূমিকা গ্ৰহণ কৰি আহিছে। শ্ৰীমোদীয়ে নীতি আয়োগে বিভিন্ন খণ্ডত উদ্ভাৱন আৰু দীৰ্ঘম্যাদি কৌশলগত চিন্তাৰ বাবে গতিশীল মঞ্চ হিচাপে কাম কৰে বুলিও উল্লেখ কৰে। প্ৰধানমন্ত্ৰীগৰাকীয়ে শ্ৰীলাহিৰীৰ অৰ্থনীতি বিষয়ৰ জ্ঞান আৰু চহকী অভিজ্ঞতাই ভাৰতৰ বিকাশৰ যাত্ৰা আৰু অধিক শক্তিশালী কৰি তুলিব বুলি মন্তব্য কৰে।

ooooo

বাৰিষাৰ সময়ছোৱাত জনসাধাৰণে সন্মুখীন হোৱা সমস্যা সমাধানৰ লক্ষ্যৰে বিভিন্ন জিলা প্ৰশাসনে প্ৰস্তুতি অব্যাহত ৰাখিছে। বতৰ বিজ্ঞান কেন্দ্ৰই পৰৱৰ্তী দুই-তিনিদিনত গুৱাহাটীৰ ঠাই বিশেষে বিজুলী ঢেৰেকণিৰে ধাৰাষাৰ বৰষুণ হ'ব পাৰে বুলি আগলি বতৰা দিছে। বিভাগে প্ৰকাশ কৰা মতে এই সময়ছোৱাত ধুমুহা বতাহৰ লগতে ৭ৰ পৰা ২০ ছেণ্টিমিটাৰ বৰষুণ হোৱাৰ সম্ভাৱনা আছে। অসম ৰাজ্যিক দুৰ্যোগ ব্যৱস্থাপনা প্ৰাধিকৰণ আৰু পৌৰ কৰ্তৃপক্ষই পৰিস্থিতি নিৰীক্ষণ কৰি আছে আৰু জৰুৰীকালীন ব্যৱস্থা সক্ৰিয় কৰি তুলিছে।

ৰাজ্যৰ মুখ্য সচিব ড০ ৰবী কোটাই আজি গুৱাহাটীৰ সম্ভাব্য বান পৰিস্থিতি সন্দৰ্ভত এখন পৰ্যালোচনা বৈঠকত অংশ লয়। তেওঁ মহানগৰীখনৰ বান ব্যৱস্থাপনা, নলা নৰ্দমাৰ পানী নিষ্কাষণ আৰু জনসাধাৰণৰ সুৰক্ষা নিশ্চিত কৰাৰ বাবে সকলো ব্যৱস্থা গ্ৰহণ কৰিবলৈ আহ্বান জনায়। বৈঠকত নলাসমূহৰ পৰা বোকা আঁতৰ কৰা, পাম্পিং ব্যৱস্থাসমূহ সক্ৰিয় কৰা, মেনহল আৰু নলাসমূহ ঢাকি ৰখাৰ লগতে বিপদসংকুল স্থানসমূহত বেৰিকেদ লগোৱাৰ নিৰ্দেশ দিয়া হয়। উল্লেখযোগ্য যে মহানগৰীৰ কমেও ৩০০ টা স্থান ভূমিস্খলনপ্ৰৱন অঞ্চল হিচাপে চিনাক্ত কৰি চোকা দৃষ্টি ৰখা হৈছে। বৰষুণৰ সময়ত জনসাধাৰণক সাৱধানতা অৱলম্বন কৰিবলৈ পৰামৰ্শ দিয়া হৈছে।

ইপিনে, আজি যোৰহাট জিলাৰ বিভিন্ন প্ৰান্তত নলা নৰ্দমা পৰিষ্কাৰকৰণ অভিযান চলোৱা হয়। জিলা প্ৰশাসনৰ বিভিন্ন বিভাগৰ সমন্বয়ত টিয়ক, তিতাবৰ, যোৰহাট পৌৰ সভা আৰু গাওঁ পঞ্চায়ত সংলগ্ন এলেকাসমূহত এই অভিযান চলোৱা হয়। আজি যোৰহাট পৌৰ সভাই টোকলাইৰ ৪ টা কালভাৰ্টত জমা হৈ থকা আৱৰ্জনাসমূহ পৰিষ্কাৰ কৰা হয়। এই অভিযানৰ ফলত সমাগত বাৰিষাৰ সময়ত ৰাইজে সকাহ পাব বুলি আশা কৰা হৈছে।

ooooo

আজি বিশ্ব মেলেৰিয়া দিৱস। প্ৰতিবছৰে ২৫ এপ্ৰিলত পালন কৰি অহা এই দিৱসে মেলেৰিয়া ৰোগৰ প্ৰতি সজাগতা সৃষ্টি কৰাৰ লগতে ইয়াক সম্পূৰ্ণৰূপে নিৰ্মূল কৰাৰ বাবে বিশ্বব্যাপী প্ৰচেষ্টাক শক্তিশালী কৰাত গুৰুত্বপূৰ্ণ

ভূমিকা লৈ আহিছে। এইবাৰৰ এই দিৱসৰ মূল বিষয়বস্তু হৈছে – 'মেলেৰিয়া নিৰ্মূলৰ দৃঢ় সংকল্পঃ এতিয়া আমি কৰিব পাৰো, এতিয়া আমি কৰিবই লাগিব।'

কামৰূপ মহানগৰ জিলাৰ সোণাপুৰৰ কমাৰকুছি উচ্চতৰ মাধ্যমিক বিদ্যালয়ত আনুষ্ঠানিকভাৱে এই দিৱস পালন কৰা হয়। দিৱসৰ লগত সংগতি ৰাখি মেলেৰিয়া প্ৰতিৰোধ আৰু নিয়ন্ত্ৰণ সম্পৰ্কে শিক্ষাৰ্থীসকলক সজাগ কৰাৰ উদ্দেশ্যে সজাগতা সভা, কুইজ আৰু প্ৰবন্ধ প্ৰতিযোগিতাৰ আয়োজন কৰা হয়। ইয়াৰ উপৰি জিলাখনত ঔষধযুক্ত আঠুঁৱা বিতৰণ শিবিৰ, জ্বৰ পৰীক্ষা আদি কাৰ্যসূচীৰ গ্ৰহণ কৰা হয়। লখিমপুৰ জিলাত বিশ্ব মেলেৰিয়া দিৱস উপলক্ষে আজি জিলা স্বাস্থ্য বিভাগৰ অধীনত বিভিন্ন অঞ্চলত সজাগতা সভাৰ আয়োজন কৰা হয়।

ওদালগুৰি জিলাত জিলা স্বাস্থ্য সমিতি আৰু ৰাষ্ট্ৰীয় বাহকজনিত ৰোগ নিয়ন্ত্ৰণ কাৰ্যসূচীৰ অধীনত বিভিন্ন বিদ্যালয়ত এই দিৱস পালন কৰা হয়। এক নম্বৰ বাইনাৰা নিম্ন প্ৰাথমিক বিদ্যালয়ত সজাগতা কাৰ্যসূচীৰ লগতে ভ্ৰম্যমান চিকিৎসা গোটৰ সহযোগত স্বাস্থ্য পৰীক্ষা শিবিৰৰ আয়োজন কৰা হয়। মাজুলী জিলা স্বাস্থ্য বিভাগৰ অধীনত আজি উজনী মাজুলীৰ চিৰাম চাপৰিৰ আয়ুষ্মান আৰোগ্য মন্দিৰত স্বাস্থ্য শিবিৰৰ আয়োজন কৰা হয়। বিশ্বনাথ জিলাৰ গহপুৰতো আজি মেলেৰিয়া দিৱস পালন কৰা হয়। এই উপলক্ষে সজাগতা পদযাত্ৰা উলিওৱা হয়। কাৰ্যসূচী সন্দৰ্ভত জিলাখনৰ সহকাৰী মেলেৰিয়া বিষয়া চম্পক দাসে এইদৰে কয়-

(বাইট ঃ দাস)

০০০০

খালিস্তানী নেতা তথা পঞ্জাবৰ খাদুৰ চাহিব সমষ্টিৰ সাংসদ অমৃত পাল সিঙক পঞ্জাব আৰক্ষীক প্ৰদান কৰা দুদিনীয়া জিম্মাৰ ম্যাদ আজি উকলি যায়। সময়সীমা অন্ত পৰাৰ লগে লগে ডিব্ৰুগড় থানা চৌহদৰ পৰা ভাৰ্চুৱেলী পঞ্জাবৰ সংশ্লিষ্ট আদালতৰ সন্মুখত তেওঁক হাজিৰ কৰোৱা হয়। আদালতে তেওঁক পুনৰ ন্যায়িক জিম্মালৈ প্ৰেৰণৰ নিৰ্দেশ দিয়ে। ইয়াৰ পাছতে পঞ্জাব আৰক্ষীয়ে সিঙক নিজৰ জিম্মাত লৈ পুনৰ ডিব্ৰুগড় কেন্দ্ৰীয় কাৰাগাৰলৈ প্ৰেৰণ কৰে। ৩০ এপ্ৰিলত কাৰাগাৰৰ পৰা পুনৰ ভাৰ্চুৱেল শুনানি অনুষ্ঠিত হ'ব।

০০০০

মঙলদৈৰ চপাইত সদৌ অসম ভিত্তিত অনুষ্ঠিত মাৰাথন প্ৰতিযোগিতাত বৰপেটাৰ ৰফিক আলীয়ে শ্ৰেষ্ঠত্ব অৰ্জন কৰিছে। ওদালগুৰি জিলাৰ কলাইগাওঁৰ পৰা চপাইৰ নেহৰু ময়দানলৈ অনুষ্ঠিত এই প্ৰতিযোগিতাত দৰঙৰ ধুলাৰ জামিৰুল হকে দ্বিতীয় আৰু খাৰুপেটিয়াৰ জিয়াউৰ ৰহমানে তৃতীয় স্থান লাভ কৰে।

০০০০

ঃঃ সমাপ্ত ঃঃ